অসম আদিত্য

দ, ১৯৪৮ শক ■ মঙলবাৰ, ১ ছেপ্টেম্বৰ, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, September 1, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

থাৰৰ চাৰ্টাৰ্ড একাউণ্টেন্ট ৰাজা বৰুৱা উপস্থিত থাকে। তেওঁ দক্ষতা বিকাশমূলক াভ কৰিব পৰা বিভিন্ন সুযোগ-সুবিধাৰ বিষয়ে শিক্ষিত যুৱক-যুৱতীসকলে এনে দক্ষতা ৰ স্ব-নিয়োজনৰ পথ বাছি লৈ নিজৰ কেৰিয়াৰ ই বিষয়েও তেওঁ বিস্তৃতভাৱে ব্যাখ্যা কৰে। ৰ প্ৰথমটো বেট্চত ৪৫ গৰাকী ছাত্ৰ-ছাত্ৰীক । অংশগ্ৰহণকাৰীসকলক কাৰ্যসূচীৰ অংশ ৰ্ট আৰু দক্ষতা বিকাশৰ ল'গ যুক্ত এটা বেগৰে ান কৰা হয়। ডি এইচ এছ কে কমাৰ্চ কলেজৰ সহকাৰী অধ্যাপক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ দক্ষতা হিলেয়ে এই দক্ষতা বিকাশমূলক উদ্যোগটোৰ গ্ৰ অনুষ্ঠানটো পৰিচালনা কৰে। অনুষ্ঠানত কলেজৰ কেইবাগৰাকীও শিক্ষক-শিক্ষয়িত্ৰী, াৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ undation ৰ সঞ্চালক দুৰ্গকান্ত চুতীয়াই ায়। তেওঁ অনুষ্ঠানটো সফল কৰি তোলাৰ থি, সমলব্যক্তি, মহাবিদ্যালয় কৰ্তৃপক্ষ, ৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক কৃতজ্ঞতা শিক্ষণ কাৰ্যসূচী আগন্তুক দিনবিলাকতো মহাবিদ্যালয়ৰ কৰ্তপক্ষই অৱগত কৰিছে। নীয়া প্ৰথম বেট্চত যিসকল ইচ্ছুক ছাত্ৰ- াৰ পৰা বঞ্চিত হল, তেঁওলোকে আগন্তুক কৰিবৰ বাবে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ হালৈৰ সৈতে যোগাযোগ কৰিব পাৰিব।

কানৈ কলেজত ড° চন্দনা গোস্বামীক সম্বৰ্ধনা

ষ্টাফ ৰিপৰ্টাৰ, ৩১ আগষ্টঃ 'অৱসান ঘটে কৰ্মজীৱনৰ, অৱদান ৰৈ যায় চিৰদিন। এগৰাকী শিক্ষকৰ অৱসৰ কেৱল এটা চাকৰিৰ পৰিসমাপ্তি নহয়, ই হৈছে এটা দীঘলীয়া কৰ্মযাত্ৰাৰ আনুষ্ঠানিক সমাপ্তি, যাৰ সৈতে জড়িত হৈ থাকে অগণন স্মৃতি, ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াৰ অমূল্য অৱদান আৰু এখন শিক্ষানুষ্ঠানৰ বিকাশৰ ইতিহাস।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) ৰ অনাশিক্ষক কৰ্মচাৰী গোটৰ উদ্যোগত অনুষ্ঠিত মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা ড০ চন্দনা গোস্বামীৰ বিদায় সভাত আদৰণী ভাষণ প্ৰদান কৰি অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। ১৯৯৩ চনৰ ২ এপ্ৰিলত বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপিকা হিচাপে যোগদান কৰি সুদীৰ্ঘ ৩৩ বছৰ ধৰি মহাবিদ্যালয়খনৰ শৈক্ষিক, প্ৰশাসনিক আৰু সামাজিক ক্ষেত্ৰত নিষ্ঠা, সততা আৰু নিঃস্বাৰ্থ সেৱা আগবঢ়াই অহা অধ্যাপিকা ড০ চন্দনা গোস্বামীৰ কৰ্মৰাজিৰ কথা উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়— তেওঁৰ কৰ্মনিষ্ঠা আৰু সৰল-সৌহাদ্যপূৰ্ণ ব্যক্তিত্বই সহকৰ্মীসকলৰ মাজত এক বিশেষ স্থান লাভ কৰিছিল। বুৰঞ্জী বিভাগৰ মুৰব্বী

হিচাপে তেওঁ বিভাগটোক সু-সংগঠিত কৰাৰ লগতে মহাবিদ্যালয়ৰ সামগ্ৰিক প্ৰশাসনিক কাম-কাজতো দায়িত্বশীল ভূমিকা পালন কৰিছিল। তেওঁৰ এই অৱদান মহাবিদ্যালয়খনৰ ইতিহাসত সদায় স্মৰণীয় হৈ থাকিব। মহাবিদ্যালয়ৰ অধ্যাপক ড০ মৃদুল শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত অধ্যক্ষগৰাকীয়ে লগতে কয় যে শিক্ষকৰ প্ৰকৃত সাফল্য তেওঁৰ পদৱী বা সেৱাকালৰ দৈৰ্ঘ্যত নহয়, বৰং তেওঁ কিমানজন শিক্ষাৰ্থীৰ জীৱনক জ্ঞান, মূল্যবোধ আৰু আত্মবিশ্বাসেৰে সমৃদ্ধ কৰিব পাৰিলে তাতহে নিহিত থাকে। সেই অৰ্থত ড০ গোস্বামীৰ কৰ্মজীৱন নৱপ্ৰজন্মৰ শিক্ষকসকলৰ বাবে এক অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব বুলি তেওঁ মন্তব্য কৰি অধ্যাপিকা ড০ গোস্বামীৰ অৱসৰ জীৱন সুখ, শান্তি আৰু সু-স্বাস্থ্যৰে পৰিপূৰ্ণ হোৱাৰ শুভেচ্ছা জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ পাৰ্থ গাঙুলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত বিদায়ী অধ্যাপিকা ড০ চন্দনা গোস্বামীয়ে ভাষণ প্ৰদান কৰি মহাবিদ্যালয়খনত কটোৱা ৩৩ বছৰীয়া কৰ্মজীৱনৰ বিভিন্ন স্মৃতি ৰোমন্থন কৰে। সহকৰ্মী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ পৰা লাভ কৰা মৰম, সহযোগিতা আৰু আন্তৰিকতাৰ বাবে তেওঁ কৃতজ্ঞতা জ্ঞাপন কৰি কানৈ মহাবিদ্যালয়ৰ সৈতে জড়িত হৈ থকা সময়ছোৱা তেওঁৰ জীৱনৰ এক অমূল্য অধ্যায় বুলি অভিহিত কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতি প্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, অধ্যাপিকা ড০ সঞ্চিতা বৰুৱা, অধ্যাপিকা ড০ মৰমী তালুকদাৰ, অধ্যাপিকা ড০ মিতালী চলিহা, অধ্যাপক ড০ দেৱাঞ্জন হাজৰিকা, অধ্যাপিকা ড০ নিতুমণি শইকীয়া, অধ্যাপক ড০ উত্তম মহন্তে ড০ চন্দনা গোস্বামীৰ সৈতে কটোৱা কৰ্মজীৱনৰ স্মৃতি ৰোমন্থন কৰি তেওঁৰ সৰলতা, কৰ্তব্যনিষ্ঠা, সহৃদয়তা আৰু সহকৰ্মীসকলৰ প্ৰতি থকা আন্তৰিকতাৰ কথা উল্লেখ কৰে। কৰ্মচাৰীসকলৰ ফালৰ পৰা ভূৱনজ্যোতি বৰুৱা, নমিতা শইকীয়া, প্ৰশান্ত মাঝিৰি শইকীয়া আৰু দিগন্ত বৰুৱাই বিদায়ী অধ্যাপিকাগৰাকীৰ সৈতে থকা স্মৃতি আৰু অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত মহাবিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা বিদায়ী অধ্যাপিকা ড০ চন্দনা গোস্বামীক ফুলাম গামোচা, চেলেং চাদৰ আৰু সম্বৰ্ধনা-পত্ৰৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ কৰ্মচাৰী গোটৰ সভাপতি, সম্পাদককে ধৰি ভালেসংখ্যক কৰ্মচাৰী উপস্থিত থাকে।

থ দুৰ্ঘটনাত ছাত্ৰৰ প্ৰাণহানি

কৰৰ সমীপত সংঘটিত হৈছে সমগ্ৰ অঞ্চলটোত। ভয়ংকৰ পথ দুৰ্ঘটনাত গৰাকী মেধাৱী ছাত্ৰৰ জীৱনৰ যাত্ৰা এনেদৰে কিশোৰজনৰ পৰিয়াল দিয়া অনুসৰি, জকাইৰ য়া স্কুটী আৰু বিপৰীত মাজত মুখামুখী সংঘৰ্ষ তে বাহন দুখন যথেষ্ট ক্ষতিগ্ৰস্ত হয়। দুৰ্ঘটনাৰ লগে লগে স্থানীয় ৰাইজে সমীৰণ গোহাঁইক সংকটজনক অৱস্থাত ততাতৈয়াকৈ ডিব্ৰুগড়ৰ শংকৰদেৱ হস্পিতাললৈ লৈ যায় যদিও চিকিৎসকে ছাত্ৰগৰাকীক মৃত বুলি ঘোষণা কৰে। ইফালে, এই একেটা দুৰ্ঘটনাতে পালছাৰ মটৰচাইকেলত থকা ডিব্ৰুগড়ৰ জকাইৰ আমিৰ কুৰ্মী আৰু জিতুল ভূমিজ নামৰ আন দুজন যুৱকো গুৰুতৰভাৱে আহত হয়। সংকটজনক অৱস্থাত দুয়োকে উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় আৰু সম্প্ৰতি অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত তেওঁলোকৰ চিকিৎসা চলি আছে। নিহত সমীৰণ গোহাঁই ডিব্ৰুগড়ৰ নতুন নিৰ্মালী গাঁৱৰ আছিল। তেওঁ ডিব্ৰুগড়ৰ ছেইন্ট জেভিয়াৰ্ছ স্কুলৰ দশম শ্ৰেণীৰ এগৰাকী অত্যন্ত মেধাৱী ছাত্ৰ আছিল।